# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 1845 Hrs

### *Assamese Evening Bulletin*
### ***Headlines***

১। ৰেচন কাৰ্ড থকা হিতাধিতকাৰীলৈহে অৰুণোদয় আঁচনিৰ সুবিধা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লখিমপুৰত ঘোষণা।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ ত্ৰিপুৰাত ৬৬৮ কোটি ৩৯ লাখ টকা ব্যয় সাপেক্ষ ১৩টা প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। বাল্য বিবাহৰ বিৰুদ্ধে তৃতীয় পৰ্যায়ৰ অভিযানত ৰাজ্যৰ বিভিন্ন থানাত পঞ্জীয়নভুক্ত ১২টা গোচৰৰ ২২গৰাকী অভিযুক্তক গ্ৰেপ্তাৰ।

৪। **বিকাশৰ ১২ দিন** কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ কেইবাখনো জিলাত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান।

**আৰু**

৫। বদদৰাত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া এদিনীয়া আই চি চি ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ভাৰতৰ ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ৩১৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

নতুন বিধানসভা সমষ্টিৰ ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ বিধান সভা সমষ্টিৰ চকুলিভৰীয়াত ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। নতুন ৰেচন কাৰ্ডসমূহ বিতৰণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এতিয়াৰ পৰা ৰেচন কাৰ্ড থকা হিতাধিতকাৰীয়েহে অৰুণোদয় আঁচনিৰ সুবিধাসমূহ লাভ কৰিব বুলি ঘোষণা কৰে।

**বাইট (চি এম)**

আনহাতে ধেমাজিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ত মন্ত্ৰী প্ৰশান্ত ফুকন, টিহুত চন্দ্ৰমোহন পাটোৱাৰী, কাছাৰৰ কাটিগড়াত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বজালী জিলাৰ সৰুপেটা আৰু তামুলপুৰতো মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভাৰ্চুৱেলী ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচী আৰম্ভ কৰে। বিজনীতো বিধায়ক অজয় কুমাৰ ৰায়ৰ উপস্থিতিত নতুন ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ত ৰাজ্যৰ ১৬ জিলাৰ মুঠ ৫ লাখ ১৯ হাজাৰ ৩৬৫ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এই নতুন হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত অহা বছৰৰ জানুৱাৰীৰ পৰাই বিনামূলীয়া চাউল লাভ কৰিব।

ooooo

কন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাত ৬৬৮ কোটি ৩৯ লাখ টকা ব্যয় সাপেক্ষ ১৩ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। সেই উপলক্ষে ঢলাই জিলাৰ মাছুৰাইপাৰাত আয়োজিত এখন জনসভাত দিয়া ভাষণত শ্ৰী শ্বাহে ব্ৰু জনগোষ্ঠীৰ লোকসকলক সংস্থাপনৰ বিষয়টো নিষ্পত্তি নকৰাৰ বাবে পূৰ্বৰ কমিউনিষ্ট দলৰ চৰকাৰখনক সমালোচনা কৰে। তেওঁ কয়, যে বিজেপি নেতৃত্বাধিন চৰকাৰ ২০১৮ চনত শাসনলৈ অহাৰ পাছত এই জনগোষ্ঠীটোৰ ৪০ হাজাৰ লোকৰ সংস্থাপনৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰি বিষয়টো নিষ্পত্তিৰ দিহা কৰা হয়।

গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে কমিউনিষ্টসকলে নিজকে দৰিদ্ৰ লোকৰ ত্ৰাণকৰ্তা আখ্যা দিয়ে যদিও ব্ৰুসকলৰ যন্ত্ৰণাক উপলব্ধি কৰিবলৈ তেওঁলোক সমৰ্থ নহ'ল। শ্ৰী শ্বাহে কয়, যে চৰকাৰে ৰাজ্যখনৰ বিভিন্ন জিলাৰ ১১ খন গাঁৱত ব্ৰু জনগোষ্ঠীৰ লোকসকলক সংস্থাপিত কৰাৰ বাবে ৯০০ কোটি টকা ব্যয় কৰিছে। জনগোষ্ঠীটোৰ লোকসকল বিৰুদ্ধ খোৱাপানী, বিদ্যুৎ সংযোগ, বুনিয়াদী শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ ভীষন অসুবিধাৰ সন্মুখীন হৈ আহিছিল বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে উপযুক্ত সংস্থাপনৰ পাছত ব্ৰুসকলে খোৱাপানী, অনাময়, বিদ্যুৎ সংযোগ, উপযুক্ত শিক্ষা আৰু নিয়োগৰ সুবিধা লাভ কৰিছে।

ooooo

ৰাজ্য চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে তৃতীয় পৰ্যায়ৰ অভিযান আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত যোৱা নিশা এই অভিযান আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। ইয়াৰ অংশ হিচাপে দৰং জিলাত

কালি নিশাৰে পৰা আজি পুৱা পৰ্যন্ত চলোৱা অভিযানত জিলাখনৰ মুঠ বিভিন্ন থানাত পঞ্জীয়নভুক্ত ১২টা গোচৰৰ তদন্ত চলাই ২২গৰাকী অভিযুক্তক এই পৰ্যন্ত গ্ৰেপ্তাৰ কৰে। ইয়াৰে সৰ্বাধিক চাৰিটা গোচৰ দলগাঁও থানাত, তিনিটা ধুলা থানাত, দুটাকৈ গোচৰ চিপাঝাৰ আৰু খাৰুপেটীয়াত আৰু বাকী এটা গোচৰ মঙলদৈ থানাত পঞ্জীভুক্ত হৈ আছে। জিলাখনৰ অপৰাধ শাখাৰ দায়িত্বত থকা অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজী তালুকদাৰে আমাৰ সংবাদদাতাক ধৃত আটাইকেইজন অভিযুক্তকে আদালতৰ জৰিয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব বুলি জনাইছে।

বৰপেটা জিলাতো যোৱা নিশাৰে পৰা আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এই অভিযানত জিলাখনৰ ১০খন আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলৰ পৰা অৰ্দ্ধশতাধিক অভিযুক্তক আটক কৰা হৈছে। বৰপেটা সদৰ আৰক্ষী থানাই বাল্য বিবাহ কৰোৱা ১০জনক আটক কৰিছে বুলি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই জনাইছে।

মৰিগাঁও জিলাৰ জাগীৰোড, কামৰূপৰ হাজো, নগাঁৰৰ লংকা, বটদ্ৰৱা, ডবকা, মোৰাঝাৰ, জুৰীয়া আৰু গোলাঘাট জিলাতো বাল্য বিবাহৰ অপৰাধত আৰক্ষীয়ে বহু লোকক আটক কৰিছে।

উল্লেখযোগ্য যে, আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধিক দূৰ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব।

ooooo

ৰাজ্য চৰকাৰৰ **বিকাশৰ ১২ দিন** কাৰ্যসূচীৰ অংশ হিচাপে আজি লখিমৰপুৰ আৰু ওদালগুৰি জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই কাৰ্যসূচীৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লখিমপুৰ জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰা হয়। চকুলিভৰীয়াৰ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ খেলপথাৰৰ সমীপত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে ২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ফটাসুঁতিঘাটৰ ৰঙানদীৰ পকী দলং উদ্বোধন কৰে। একেদৰে আজাদত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটোও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰে। ইয়াৰ লগতে তেওঁ ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লখিমপুৰৰ চৰকাৰী নাৰ্ছিং মহাবিদ্যালয়ৰ শৈক্ষিক ভৱন আৰু হোষ্টেলৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বগীনদীত প্ৰেক্ষাগৃহসহ এটা অতিথিশালাৰ ভূমি পূজনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে বানত ক্ষতিগ্ৰস্ত ২২ হাজাৰ ৬৩৬টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩৫৪ গৰাকী সদস্যকো ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ কাৰণে আজিৰ অনুষ্ঠানত এক কোটি ২৭ লাখ টকাৰ প্ৰাৰম্ভিক মূলধন আগবঢ়োৱা হয়।

ইফালে ওদালগুৰি জিলাত জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকে। এই সভাত ৯৪৩ গৰাকী শিক্ষাৰ্থীক ড০ বাণীকান্ত কাকতি মেধা বঁটা, ৪০৪ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা আৰু ৬ হাজাৰ ৫৫৫ গৰাকী শিক্ষাৰ্থীক বিনামূলীয়া চাইকেল প্ৰদান কৰা হয়।

**বাইট (পীযূষ হাজৰিকা)**

ooooo

শীতকালত খাদ্যৰ অভাৱত পৰি শোণিতপুৰৰ সোণাই-ৰূপাই অভয়াৰণ্যৰ পৰা দাঁতিকাষৰীয়া অঞ্চলসমূহত সোমাই পৰা বন্যহস্তীৰ দলে জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। শালিধানৰ খেতিপথাৰ নষ্ট কৰাৰ লগতে জিলাখনৰ মিছামাৰী অঞ্চলত দলৰ পৰা ফালৰি কাটি অহা এটা দঁতাল হাতীৰ ভয়ত ৰাইজে উজাগৰী নিশা কটাবলৈ বাধ্য হৈছে। একেদৰে গোলাঘাট জিলাৰ নুমলীগড়তো শালিধানৰ খেতিপথাৰ উদং হোৱাৰ পাছত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু গৰমপানী বনাঞ্চলৰ পৰা অহা হাতীৰ জাকে ৰবি শস্যৰ খেতিপথাৰসমূহত খাদ্যৰ সন্ধান কৰিছে। মৰঙী চেঁচামুখ, দুই আৰু তিনি নম্বৰ কৈৱৰ্তগাঁও, ধলাঘাট, মিৰিপথাৰ, তেলিয়াগাঁও ইত্যাদি অঞ্চলসমূহত খাদ্যৰ সন্ধানত অহা বন্যহস্তীয়ে কৃষি ক্ষেত্ৰৰ অনিষ্ট সাধন কৰিছে। হাতী আৰু মানুহৰ সংঘাতৰ এই পৰিস্থিতিৰ উন্নতিকৰণৰ বাবে বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে বহনক্ষম কৃষি পদ্ধতিৰ লগতে বীমাৰ দৰে কৃষি সুৰক্ষাৰ বিষয়ে অঞ্চলটোৰ ৰাইজৰ মাজত সজাগতা অনাৰ প্ৰয়াস কৰিছে।

ooooo

নগাঁও জিলাৰ কলিয়াবৰ চাহ বাগিছাৰ ১৩ নম্বৰ বাগানৰ সীমাত ঢেকিয়াপতিয়াৰ আক্ৰমণত নিহত এজন লোকৰ আজি ছিন্ন মুণ্ড উদ্ধাৰ কৰা হয়। মৃত লোকজন কলিয়াবৰ বাগিছাৰ বৰলাইনৰ বাসুদেৱ কৰ্মকাৰ বুলি জানিব পৰা গৈছে। এই ঘটনাৰ পাছত শিলঘাট তহলদাৰী আৰক্ষী চকীৰ সন্মুখত অঞ্চলটোৰ একাংশ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক কাৰ্যব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতেই ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্ত প্ৰতিবাদস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। তেওঁ স্থানীয় ৰাইজক বাঘটোক কৰায়ত্ত কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। ঢেকিয়াপতিয়াৰ আক্ৰমণত নিহত আৰু আহত লোকক উপযুক্ত ক্ষতিপূৰণ দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে। তেওঁ জনসাধাৰণৰ সুৰক্ষাৰ বাবে অতিৰিক্ত বন সুৰক্ষা বাহিনী নিয়োগ কৰা হ'ব বুলি জানিবলৈ দিয়ে। পাছত মন্ত্ৰীগৰাকীয়ে বাঘৰ আক্ৰমণস্থলীও পৰিদৰ্শন কৰে।

ooooo

অসমীয়া গদ্য সাহিত্যৰ জনক শ্ৰীশ্ৰী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ ৩৮৬ সংখ্যক তিৰোভাৱ তিথি আজি শ্ৰী দেৱদামোদৰ সংঘৰ উদ্যোগত মৰিগাঁৱত গদ্য সাহিত্য দিৱস হিচাপে পালন কৰা হয়। সংঘৰ মৰিগাঁও জিলাৰ সংঘাধিকাৰ পোৱাল চন্দ্ৰ গোস্বামীয়ে পুৰা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পাছত শ্ৰীশ্ৰী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিত মৰিগাঁও বৰ্ণসত্ৰৰ ডেকা সত্ৰাধিকাৰ পংকজ গোস্বামীয়ে মাল্যাৰ্পণ কৰে। দিনৰ ভাগত অসমীয়া গদ্য সাহিত্যৰ জনক শ্ৰীশ্ৰী ভট্টদেৱৰ সাহিত্যকৃতি শীৰ্ষক এখন আলোচনাচক্ৰ কেন্দ্ৰীয় সংঘাধিকাৰ প্ৰণৱ শৰ্মাই সঞ্চালনা কৰে। আলোচনাচক্ৰত তিৱা ভাষাৰ গৱেষক মনেশ্বৰ দেউৰী আৰু জ্যেষ্ঠ সাংবাদিক জনাৰ্দন শৰ্মায়ো অংশগ্ৰহণ কৰে।

০০০০০

সমাজকৰ্মী তথা মাইতি নেপালৰ প্ৰতিষ্ঠাপক, ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মানেৰে বিভূষিত অনুৰাধা কৈৰালাক আজি উপেন্দ্ৰ নাথ ব্ৰহ্ম মানৱতাৰ সৈনিক বঁটা ২০২৪ প্ৰদান কৰা হয়। কোকৰাঝাৰ জিলাৰ চান্দামাৰীত অৱস্থিত বড়োফা সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত উপেন্দ্ৰনাথ ব্ৰহ্ম ন্যাস আৰু সদৌ বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে এটা স্মাৰক, ২ লাখ টকা আৰু আৰনাইৰ লগতে পৰম্পৰাগত বড়ো সাজপাৰ।

০০০০০

সাহিত্য একাডেমী বঁটা প্ৰাপক বিশিষ্ট ঔপন্যাসিক জয়ন্ত মাধৱ বৰাক আজি শিৱসাগৰত ২০২৪ বৰ্ষৰ বাক্য সাহিত্য বঁটা প্ৰদান কৰা হয়। শিৱসাগৰ প্ৰেছ ক্লাৱত আয়োজিত এটা অনুষ্ঠানত অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান বাক্যই আগবঢ়োৱা এই বঁটা লোকসংস্কৃতিৰ গৱেষক ড০ অনিল শইকীয়াই ঔপন্যাসিকগৰাকীক প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানতে ড০ ৰীতামণি বৰাৰ গল্পসংকলন, সত্যজিৎ নাথৰ কাব্য সংকলন, মিণ্টু সাগৰ দাসৰ গ্ৰন্থ আৰু কাব্য আলোচনী ভাষাও উন্মোচন কৰা হয়। অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাব তথা গড়গাঁও মহাবিদ্যালয়ৰ সভাপতি ড০ সব্যসাচী মহন্ত, বিশিষ্ট কবি গংগামোহন মিলি আৰু বুৰঞ্জীবিদ নবীন বুঢ়াগোঁহায়ো উপস্থিত থাকে।

০০০০০

নৱভাৰত সাক্ষৰতা অভিযানৰ অধীনত উল্লাস আঁচনিৰ বুনিয়াদী সাক্ষৰতা আৰু গাণনিক অৰ্হতা প্ৰাপ্তিৰ মূল্যায়ন আজি মৰিগাঁও জিলাত সম্পন্ন হয়। ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ জ্যেষ্ঠ শিক্ষা উপদেষ্টা কুলদ্বীপ কুমাৰে জিলাখনৰ কাৰাগাৰ শিক্ষা কেন্দ্ৰ, পশ্চিম কোমোৰাগুৰি আৰু জালুগুটিৰ লোচোনাবাৰী পৰীক্ষা কেন্দ্ৰত মূল্যায়ন প্ৰক্ৰিয়া পৰিদৰ্শন কৰে। শিক্ষা উপদেষ্টাগৰাকীয়ে শিকাৰুসকলৰ উৎসাহত অভিভূত হোৱাৰ লগতে জিলা প্ৰশাসনে পৰীক্ষা পৰিচালনাৰ কাৰণে গ্ৰহণ কৰা ব্যৱস্থাপনাৰ ভূয়সী প্ৰশংসা কৰে। কাৰাগাৰৰ নিৰক্ষৰ কয়দীসকলৰ সাক্ষৰতাৰ বাবে বিভাগীয় কৰ্তৃপক্ষই হাতত লোৱা উদ্ভাৱনীমূলক প্ৰচেষ্টাৰ প্ৰশংসা কৰি শ্ৰীকুমাৰে কয়, যে নিৰক্ষৰতা নিৰ্মূল কৰিলেহে সমাজৰ সামগ্ৰিক কল্যাণ সম্ভৱপৰ হ'ব।

০০০০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ ১ নম্বৰ দোঙাৰগাঁৱত কালি নিশা তামুলপুৰ আৰক্ষী আৰু বন বিভাগে চোৰাং চিকাৰীৰ বিৰুদ্ধে যুটীয়া অভিযান চলাই তিনিজন চোৰাং চিকাৰীক আটক কৰে। চোৰাং চিকাৰীকেইজনৰ পৰা আৰক্ষীয়ে হাতীৰ দাঁত আৰু দুটা হস্তনিৰ্মিত বন্দুকো জব্দ কৰিবলৈ সক্ষম হয়।

০০০০০

বঙাইগাঁও জিলাত যোৱা ১৯ ডিচেম্বৰৰ পৰা পালন কৰা সু-শাসন সপ্তাহ উপলক্ষে আজি বঙাইগাঁও পৌৰসভাৰ কাৰ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাত বঙাইগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰাবেয়া বেগমে ভূমি সংক্ৰান্তীয় ১১টা গোচৰ নিষ্পত্তি কৰে। ইয়াৰ লগতে সভাখনত চক্ৰ বিষয়াগৰাকীয়ে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ বিষয়ে বিতংকৈ ব্যাখ্যা কৰে।

০০০০০

বড়োডৰাত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া এদিনীয়া আই চি চি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ৩১৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৩১৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে বেটিং আৰম্ভ কৰি এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১৩ অভাৰত ৬টা উইকেট হেৰুৱাই ৩৪ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০

মাজুলীৰ কমলাবাৰী পোহাৰদিয়া গাঁও নিবাসী ধৰ্মপ্ৰাণ মহিলা হেমন্তী হাজৰিকাৰ আজি বিয়লি নিজৰ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ।

০০০০০

সমাপ্ত